আমি অসমৰ জনগণ

চতুৰ্থ বছৰ ● সংখ্যা ২৪৫ ● গুৱাহাটী, শুকুৰবাৰ
১৩ অক্টোবৰ, ২০১৭ঃ ২৬ আহিন, ১৯৩৯ শক

কেৱল মুছলমান হ'লেই নহ'ব

ৰোহিঙ্গীয়া মুছলমানে ম্যানমাৰৰ পৰা খেদা খাইছে। বাংলাদেশী মুছলমানক অসমৰ পৰা খেদিবৰ বাবে অসমীয়া মানুহৰ ব্যস্ততা আৰু উৎকণ্ঠাৰ শেষ নাই। আমেৰিকা আদি দেশত ড'নাণ্ড ট্ৰাম্প জাতীয় উগ্ৰ জাতীয়তাবাদী ভাবাপন্ন মানুহৰ দৃষ্টিত মুছলমান মানুহ আদৰণীয় নহয়। মধ্যপ্ৰাচ্য আৰু উত্তৰ আফ্ৰিকাত মুছলমানৰ নিজৰ ভিতৰতেই মৰামৰি-কটাকটি চলিয়েই থাকে। আনহাতে আল-কায়দা, হামাছকে ধৰি পৃথিৱীৰ অসংখ্য সন্ত্ৰাসবাদী সংগঠনৰ জন্ম হৈছে ইছলাম জাহানৰ পৰাই। তেৰশ বছৰৰ আগতে প্ৰৱৰ্তন হোৱা ইছলাম ধৰ্মই প্ৰথম তিনিটা শতিকাৰ ভিতৰতেই এছিয়া আৰু আফ্ৰিকা অতিক্ৰম কৰি সমগ্ৰ পৃথিৱীতেই নিজৰ প্ৰভাৱ-প্ৰতিপত্তি বিস্তাৰ কৰে। প্ৰথম অৱস্থাত ইছলামৰ প্ৰগতিশীল চিন্তাধাৰাই পৃথিৱীক চমক খুৱাই দিছিল আৰু অষ্টম শতিকাৰ পৰা ওঠৰ শতিকা পৰ্যন্ত সুদীৰ্ঘ এহেজাৰ বছৰ ধৰি ইছলামৰ হৈছিল জয়জয়কাৰ। ইছলামীয় পণ্ডিতে সাহিত্য আৰু বিজ্ঞান চৰ্চা কৰাৰ উপৰি অদ্ভুত বলেৰে এছিয়া আৰু আফ্ৰিকা জয় কৰিছিল। কিন্তু ওঠৰ শতিকাৰ পৰাই আৰম্ভ হ'ল ইছলামৰ অৱনতি। এনে অৱনতিৰ কাৰণেই এসময়ত বিজ্ঞান আৰু সাহিত্য-সঙ্গীত চৰ্চাকাৰী মুছলমান ব্যস্ত হ'ল যুঁজ-বাগৰত। দেশে দেশে ইছলামৰ বিজয় পতাকা উৰিল, কিন্তু যি ঐশ্বৰ্য এসমত আছিল সেই ঐশ্বৰ্য হেৰুৱাবলৈ ধৰিলে ইছলামে। বৌদ্ধিক আৰু সাংস্কৃতিকভাৱে দুৰ্বল ইছলাম হৈ পৰিল অস্ত্ৰৰ ওপৰত নিৰ্ভৰশীল। ইছলাম লিপ্ত হ'ল এশ বছৰীয়া বা দহ-বাৰ বছৰীয়া যুদ্ধত খ্ৰীষ্টানসকলৰ লগত। পৃথিৱীৰ দ্বিতীয় বৃহত্তম জনগোষ্ঠী হিচাপে ইছলামে বিশ্বৰ ৪৫খন দেশত পূৰ্ণ কৰ্তৃত্ব স্থাপন কৰিলে। এনে পূৰ্ণ কৰ্তৃত্ব স্থাপনৰ লালসাতেই ইছলামে ভাৰতৰ দৰে প্ৰাচীন দেশখনকো দ্বিখণ্ডিত কৰিলে। ইছলামে ভাৰতৰ দৰে দেশখনক দুফাল কৰিয়েই নেৰিলে, ঘোষণা কৰিলে এহেজাৰ বছৰীয়া যুদ্ধৰ কথা। সুদীৰ্ঘ কাল ধৰি ভাৰত শান্তি আৰু জ্ঞানৰ সাধনাত ব্যস্ত আছিল। মুছলমান আক্ৰমণকাৰীৰ সন্মুখত ভাৰতত জ্ঞান সাধনা উফৰি গ'ল। এদিন দেশখনেই ফাট ফালে। ইছলাম আজি হেজাৰ বছৰীয়া এক অভিজ্ঞতা হ'ল। নামত শান্তি হ'ল যদিও ইছলামৰ পতাকা লৈ অসংখ্য সেনাপতিয়ে দেশ জয়ৰ বাবে যাত্ৰা কৰিলে। ইছলামে শান্তি বিচাৰিলে। কিন্তু ভুল কৰিলে এটা কথাত, সেইটো হ'ল তেওঁলোকেইহে ধাৰ্মিক বা ঈশ্বৰৰ সন্তান; বাকীবোৰ কাফেৰ। যোৱা এহেজাৰ বছৰৰ ভিতৰত ইছলামৰ নামত অসংখ্য সৰু-বৰ যুঁজ-বাগৰ হৈ গৈছে। বহু দেশত সংঘটিত সাম্প্ৰদায়িক সংঘৰ্ষত কিমান নিৰীহ মানুহে প্ৰাণ এৰিলে হিচাপ নাই। আমাৰ দেশতেই ১৯২০-২১ চনৰ পৰা ১৯৪৬ চন পৰ্যন্ত মুছলিম লীগৰ নেতৃত্বত যি পাকিস্তান আন্দোলন আৰম্ভ হ'ল তাত প্ৰতিপক্ষ, অৰ্থাৎ ইংৰাজৰ এজনো চিপাহী নমৰিল। তাৰ বিপৰীতে দুজন অসমীয়া ছাত্ৰকে ধৰি প্ৰাণ হেৰুৱালে কে'বা হেজাৰ নিৰীহ হিন্দুৱে। মুছলমানৰ বাবে যে এখন সুকীয়া দেশৰ প্ৰয়োজন নাছিল তাৰ প্ৰমাণ পোৱা গ'ল পাকিস্তান স্থাপনৰ মাত্ৰ ২৪ বছৰৰ পিছতেই নতুন মুছলমান দেশ বাংলাদেশৰ জন্মৰ পৰাই। ভাৰত বিভাজন যে আছিল এক হিমালয়সদৃশ ভুল তাৰ প্ৰমাণ পোৱা গ'ল পাকিস্তানৰ পৰা লাখ লাখ মুছলমানে কেৱল উন্নত জীৱনৰ সন্ধানতেই ভাৰতলৈ ঢপলিয়াই অহাৰ পৰাই। এটা সময়ত পাকিস্তানকো দ্বিখণ্ডিত কৰা হ'ল। তথাপি পাকিস্তানৰ চৈতন্য উদয় নহ'ল। ভাৰতৰ স'তে প্ৰত্যেক কথাতে ফেৰ মাৰিবলৈ গৈ পাকিস্তান পিছ পৰি গ'ল। ভাৰতৰ লগত যুঁজ দিবৰ বাবেই পাকিস্তানে লোকৰ পৰা চুৰি-মেলি কৰি হ'লেও পাৰমাণৱিক বোমা তৈয়াৰ কৰি কেইটামান জমা কৰি থ'লে দিল্লী উৰুৱাই দিবৰ বাবে। পাকিস্তানী বিজ্ঞানীয়ে পাৰমাণৱিক বোমা তৈয়াৰ কৰিলে হয়, কিন্তু অসংখ্য পাকিস্তানী পিতৃ-মাতৃ ভাৰতলৈ আহিল নিজৰ ৰোগাক্ৰান্ত সন্তানৰ নিৰ্ভৰযোগ্য চিকিৎসাৰ বাবে। হেজাৰৰ হিচাপত চহকী পাকিস্তানীৰ সন্তান আহিল ভাৰতত উন্নত শিক্ষা গ্ৰহণৰ বাবে। এটা কথা ঠিক যে দুখীয়া আৰু নিৰক্ষৰ মুছলমানে ভাৰত বিভাজন বিচৰা নাছিল। ভাৰত বিভাজন বিচাৰিছিল কেৱল উত্তৰ প্ৰদেশ, বঙ্গদেশ, ব'ম্বে প্ৰেছিডেন্সী আৰু বিহাৰৰ মুছলমানেহে। পাকিস্তান বিচৰা মানুহখিনিৰ সৰহখিনিয়েই আছিল ধনী জমিদাৰ, নবাব আৰু ব্যৱসায়ী। অখণ্ড ভাৰতত পণ্ডিত জৱাহৰলাল নেহৰুৰ আগত তিষ্ঠিব নোৱাৰিব বুলি ভাবিয়েই জিন্নাই বিচাৰিলে মুছলমানৰ কাৰণে সুকীয়া এখন দেশ। পাকিস্তানৰ বাবে ডাইৰেক্ট এক্সনৰ কথা ঘোষণা কৰা হ'ল। কিন্তু সেই সংগ্ৰাম ইংৰাজৰ বিৰুদ্ধে নাছিল। হত্যা কৰা হ'ল পাঁচ হেজাৰ বঙালী আৰু বিহাৰী হিন্দুক। দুজন বিচক্ষণ অসমীয়া ছাত্ৰকো হত্যা কৰা হ'ল পাকিস্তানৰ কাৰণে। সমগ্ৰ পৃথিৱীতে আজি সন্ত্ৰাসবাদী বুলিলেই মানুহে মুছলমানলৈকে আঙুলি টোঁৱায়। এটা কথা ঠিক যে সকলো সন্ত্ৰাসবাদীয়েই হ'ল মুছলমান যদিও সকলো মুছলমানকেই সন্ত্ৰাসবাদী বুলি ভবাটো ভুল হ'ব। আধুনিক জগতত হিন্দুসকল অতীতৰ দৰে সংৰক্ষণশীল হৈ থকা নাই। হিন্দুৰ খাদ্যাভ্যাস সম্পূৰ্ণ সলনি হ'ল। বৰ্ণ প্ৰথা প্ৰায় শিথিল হৈ গ'ল। পোছাক পৰিধানত হিন্দুৰ কোনো চোকা নিয়ম নাইকিয়া হ'ল। কিন্তু মুছলমানসকলে নিজকে মুছলমান বুলি জাহিৰ কৰা প্ৰৱণতা আগৰ তুলনাত বৃদ্ধি পালে। সেয়েহে সৰহখিনি দেশত মুছলমান বুলিলেই সন্ত্ৰাসবাদী বুলি সন্দেহ কৰে। এনে অৱস্থাৰ পৰা মুছলমানসকলে উদ্ধাৰ পাব লাগিব। উদ্ধাৰৰ পথ আনৰ হাতত নাই। আধুনিক পৃথিৱীত সমিলমিলভাৱে থাকিবৰ বাবেই মুছলমানসকলে কিছু এৰা-ধৰা কৰাটো নিতান্তই প্ৰয়োজন হ'ব। তাকে কৰা নহ'লে তেওঁলোক পৃথিৱীত অকলশৰীয়া হৈ পৰিব।

অস্তিত্বৰ সংকটত ভাষা আৰু কিছু কথা

আলাস্কা বিশ্ববিদ্যালয়ৰ 'নেটিভ লেংগুৱেজ চেণ্টাৰ'ৰ একালৰ সঞ্চালক মাইকেল ক্ৰাউছৰ মতেও পৃথিৱীজুৰি কথিত প্ৰায় সাত হাজাৰ ভাষাৰ মাজত মাত্ৰ তিনিশমান ভাষাহে সংকটমুক্ত। তেওঁ আৰু অনুমান কৰিছে যে একবিংশ শতিকাৰ অন্তিম ক্ষণলৈ নৱৈৰ পৰা পঁচানৱৈ শতাংশ ভাষা পৃথিৱীৰ বুকুৰ পৰা চিৰকাললৈ নাইকিয়া হৈ যাব। মনত ৰখা ভাল যে একোটাহঁত জনগোষ্ঠীৰ নিজৰ ভাষা-সংস্কৃতি সেই জনগোষ্ঠীটোৰ দুৰ্ভেদ্য বৰ্মসদৃশ। তাৰ দ্বাৰা বাহিৰৰ বণিক গোষ্ঠীয়ে জাপি দিয়া অপতৃণবোৰৰ পৰা নিজক ৰক্ষা কৰিব পাৰি। শেহতীয়াভাৱে প্ৰাচ্যতত্ত্বৰ প্ৰবক্তা এডৱাৰ্ড ছেইডে সেইবাবেই মানুহক নিজৰ স্বকীয়ত্ব বুজিবলৈ আৰু কোনো বিশেষ শক্তিৰ দাস নহ'বলৈ সকীয়াই দিছে।

◆

খগেন সেন ডেকা

অষ্ট্ৰেলিয়াৰ বিশিষ্ট ভাষাতত্ত্ববিদ খ্ৰীষ্ট ফাৰ ম'ছেলৰ তত্ত্বাৱধানত ইউনেস্ক'ৰে ভাষাৰ বিলুপ্তি সম্বন্ধে যি অধ্যয়ন চলাইছিল তাত দেখা গৈছিল যে বিশ্বৰ সৰ্বমুঠ ৭,৩৫৮টা ভাষাৰ ভিতৰত ইতিমধ্যে ৪৪৬টা ভাষাৰ মৃত্যু ঘটিছে। বাকী ৬,৯১২টা ভাষাৰ ২,৫০০টা সংকটাপন্ন। অৱশ্যে এই সংখ্যাৰ তাৰতম্য হ'ব পাৰে। কাৰণ কেতবোৰ দুৰ্গম অঞ্চলত কথিত ভাষা সম্পৰ্কীয় তথ্য এতিয়াও উদ্ধাৰ হ'বলৈ বাকী। অষ্ট্ৰেলিয়া মহাদেশৰ নিজা জৰীপ অনুসাৰে সেই মহাদেশৰ ২৫০টাতকৈও অধিক থলুৱা ভাষাৰ এতিয়া ১৪৫টা মাত্ৰ বৰ্তি আছে। তাৰো ১১০টা গুৰুতৰভাৱে সংকটগ্ৰস্ত। যিকেইটা বৰ্তি আছে তাৰো মাত্ৰ ১৮টা ভাষাহে বিপদমুক্ত। ভাৰতবৰ্ষত কথিত মুঠ ১,৩৫২টা ভাষাৰ সৰহভাগেই এতিয়া বিপদগ্ৰস্ত। অন্য শক্তিশালী ভাষাৰ কৰাল গ্ৰাসত পৰি আপেক্ষিকভাৱে দুৰ্বল ভাষাবোৰে, বিশেষকৈ জনজাতীয় ভাষাবোৰে বিলুপ্তিৰ ক্ষণ গণিবলগীয়া হৈছে। ভূ-গোলকীকৰণ বা বিশ্বায়ন তথা অৰ্থনৈতিক উদাৰীকৰণ ইয়াৰ মূল কাৰণ। উপনিৱেশৰ কবলত আফ্ৰিকাৰ সৰহভাগ ভাষাৰ অপমৃত্যু ঘটিল। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ভাষাৰ কথা বাদেই, সুদীৰ্ঘ কালৰ লিখিত ঐতিহ্যৰে মহিমামণ্ডিত অসমীয়া ভাষালৈকো এতিয়া ভাবুকি আহিছে। আজিৰ প্ৰজন্মই ভাষাটোৰ কালিকা সমূলি পাহৰি গৈছে। খণ্ডবাক্য, জতুৱা ঠাঁচ, প্ৰবাদ, প্ৰবচন, ফকৰা-যোজনা এতিয়া পাহৰণিৰ গৰ্ভত। সেইবোৰ ক'ত কেনেদৰে প্ৰয়োগ কৰিব লাগে আজিৰ পুৰুষে প্ৰায় পাহৰি গৈছে। লোক-সংস্কৃতিবিদ এলান ডাণ্ডেছে উল্লেখ কৰা মতে আফ্ৰিকাৰ জনৈক ইড'ভাষী যুৱকক হেনো সোধা হৈছিল তেওঁ নিজৰ ভাষাৰ প্ৰবাদ-প্ৰবচন, ফকৰা আদি জানেনে বুলি। যুৱকজনে উত্তৰত কৈছিল, তেওঁ জানে কিন্তু সেইবোৰ ক'ত, কেতিয়া, কিদৰে প্ৰয়োগ কৰিব লাগে নাজানে। আমাৰ অৱস্থাও লাহে লাহে সেই পৰ্যায়লৈ গৈ আছে। আমাৰ সুৱদিসুৰীয়া ভাষাটোৰ অনন্য সম্পদ হৈছে গাঁৱৰ ককা-আইতাহঁতৰ মুখত আখৈ ফুটা দি ফুটা প্ৰবাদ-প্ৰবচন, খণ্ডবাক্য, জতুৱা প্ৰয়োগবোৰ। এটা উদাহৰণ দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। এগৰাকী বুঢ়ী মানুহে এজনী ছোৱালীৰ পিন্ধি থকা কাপোৰসাজক উপলক্ষ্য কৰি কৈছিল— 'এ আই, তইনো এই সাজ কি কাপোৰ পিন্ধিছ, একেবাৰে দিখৌমুখলৈকে দেখি।' নক'লেও চলে, কথাযাৰৰ 'দিখৌমুখলৈকে দেখি' অংশটোৰে পাতল কাপোৰ এসাজক বুজাইছে। কিন্তু তাকে নকৈ দিখৌমুখলৈকে দেখা বুলি কোৱাত বক্তব্যৰ প্ৰকাশিকা শক্তি কিমান বৃদ্ধি পাইছে সেয়া অনুধাৱন কৰিবলগীয়া। দুখৰ কথা, সদ্যহতে আমি আমাৰ ভাষাৰ এই গুণ পাহৰিবলৈ আৰম্ভ কৰিছোঁ। আলাস্কা বিশ্ববিদ্যালয়ৰ 'নেটিভ লেংগুৱেজ চেণ্টাৰ'ৰ একালৰ সঞ্চালক মাইকেল ক্ৰাউছৰ মতেও পৃথিৱীজুৰি কথিত প্ৰায় সাত হাজাৰ ভাষাৰ মাজত মাত্ৰ তিনিশমান ভাষাহে সংকটমুক্ত। তেওঁ আৰু অনুমান কৰিছে যে একবিংশ শতিকাৰ অন্তিম ক্ষণলৈ নৱৈৰ পৰা পঁচানৱৈ শতাংশ ভাষা পৃথিৱীৰ বুকুৰ পৰা চিৰকাললৈ নাইকিয়া হৈ যাব। মনত ৰখা ভাল যে একোটাহঁত জনগোষ্ঠীৰ নিজৰ ভাষা-সংস্কৃতি সেই জনগোষ্ঠীটোৰ দুৰ্ভেদ্য বৰ্মসদৃশ। তাৰ দ্বাৰা বাহিৰৰ বণিক গোষ্ঠীয়ে জাপি দিয়া অপতৃণবোৰৰ পৰা নিজক ৰক্ষা কৰিব পাৰি। শেহতীয়াভাৱে প্ৰাচ্যতত্ত্বৰ প্ৰবক্তা এডৱাৰ্ড ছেইডে সেইবাবেই মানুহক নিজৰ স্বকীয়ত্ব বুজিবলৈ আৰু কোনো বিশেষ শক্তিৰ দাস নহ'বলৈ সকীয়াই দিছে। সাম্ৰাজ্যবাদী শক্তিসমূহক মাত্ৰ পণ্যদ্ৰব্য বিকিবলৈ বজাৰৰ প্ৰয়োজন। ভাষাৰ স্থান তাত গৌণ। মানুহে কিবা প্ৰকাৰে আখৰকেইটা চিনি পণ্য-সামগ্ৰীৰ নাম পঢ়িব পাৰিলেই হ'ল। সেইবোৰৰ গুণাগুণ বুজিবৰ বাবে মানুহ উচ্চ শিক্ষা, নিজ ভাষাৰ জ্ঞানৰ কোনো আৱশ্যক নাই। আমি যেন লাহে লাহে সেই শক্তিসমূহে পতা জালত ক'ব নোৱাৰাকৈয়ে আবদ্ধ হৈ পৰিছোঁ। ভাষা একোটাৰ বিলুপ্তিৰ প্ৰথম ঢাপটো আৰম্ভ হয় তাৰ বৈয়াকৰণিক বিকৃতিৰে। অসমীয়া ভাষাত সেই লক্ষণ ইতিমধ্যে পৰিস্ফুট হৈছে। লিখিত ৰূপটোত বানানৰ বাহিৰে অন্য কোনো বিশেষ বিকৃতি দেখা নগ'লেও, কথিত ৰূপটোত, বিশেষকৈ কিছুসংখ্যক শিক্ষিত লোকৰ কথনভংগীত তাৰ প্ৰভাৱ সৰ্বগ্ৰাসী ৰূপত দেখা গৈছে। মোৰ ইয়াৰ আগৰ 'আমাৰ ভাষা' শীৰ্ষক পোষ্টটোত এগৰাকী পঢ়ুৱৈয়ে তেনে কেইবাটাও নিদৰ্শন দাঙি ধৰাটো এই প্ৰসংগত উল্লেখযোগ্য। আমাৰ আইৰ মুখৰ ভাষাৰ প্ৰকৃত ৰূপটো যেন ক'ৰবাত হেৰাই যাবলৈ আৰম্ভ কৰিছে। ভাষাটোৰ জতুৱা ৰূপটো আমি যেন পাহৰি গৈছো। একালত উত্তৰ-পূৰ্বাঞ্চলৰ সংযোগী ভাষা আছিল অসমীয়া। নাগামিজ, নেফামিজ আদি ভাষা অসমীয়া ভাষাক কেন্দ্ৰ কৰিয়ে গঢ় লৈ উঠিছিল। এতিয়া কিন্তু অসমীয়া ভাষাৰ সেই বিস্তৃতি বহু পৰিমাণে কমি গৈছে। তাৰ ঠাইত সেই সেই অঞ্চলৰ নিজা ভাষাৰ পৰিসৰ বৃদ্ধি হোৱা হ'লে নিশ্চয়কৈ সুখৰ বিষয় হ'লহেঁতেন। কিন্তু পৰিতাপৰ কথা সেই ঠাই লৈছে হিন্দীয়ে। অৰুণাচল, মেঘালয়, মণিপুৰ আদিলৈ গ'লে এতিয়া হিন্দীৰে কাম চলাবলগীয়া হয়। ভাষাৰ বিলুপ্তি একেদিনাই নাহে। ই আহে গোপন ব্যাধিৰ দৰে। যেতিয়া প্ৰকট হয়, তেতিয়া আৰু চিকিৎসাৰ সকলো সম্ভাৱনা নাইকিয়া হয়। এটা ভৌগোলিক পৰিবেষ্টনত কথিত ভাষাটো যেতিয়া কণ কণ ল'ৰা-ছোৱালীয়ে ক'বলৈ এৰে, তেতিয়াই বুজিব লাগিব যে সেই ভাষাক বিলুপ্তিৰ দুৰাৰোগ্য গোপন ব্যাধিয়ে লগ দিছে। গ্ৰামাঞ্চলৰ কথা বাদ দি অসমৰ চহৰবোৰৰ কণ কণ শিশু, কিশোৰৰ মুখৰ ভাষা বিশুদ্ধ অসমীয়াৰ পৰিৱৰ্তে খুব সন্তৰ্পণে হিন্দী-ইংৰাজী মিহলি এক মিশ্ৰিত ৰূপলৈ পৰ্যৱসিত হ'বলৈ লোৱা দেখা গৈছে। তেওঁলোকে অসমীয়া ক'লেও উচ্চাৰণত মাতৃভাষাৰ খাচ বিশেষত্ব ফুটি নুঠে। কোনোবাই ক'ব পাৰে— ভাষা মনৰ ভাৱ প্ৰকাশৰ মাধ্যম। গতিকে বক্তাৰ মনৰ ভাৱ শ্ৰোতাই বুজিলেই হ'ল। উপৰুৱাকৈ চালে কথাটো হয়। কিন্তু গভীৰ অন্তৰ্দৃষ্টিৰে পৰ্যবেক্ষণ কৰিলে দেখা যায়, ভাষাৰ মৃত্যুৱে একোটা জাতিৰ স্বকীয়তা নষ্ট কৰে, জাতিটোক বিজতৰীয়া কৰে। কাৰণ অৱশেষ বিচাৰত ভাষাই হ'ল জাতিবিশেষৰ সংস্কৃতিৰ সংৰক্ষক। ভাষাৰ মৃত্যু মানে সেই ভাষা কোৱা জাতিটোৰ মৃত্যু। সৌভাগ্যৰ বিষয় অসমীয়া ভাষা ইউনেস্ক'ৰে চিহ্নিত কৰা সংকটাপন্ন ভাষাৰ তালিকাত এতিয়াও সোমোৱা নাই। অৱশ্যে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় সকলোবোৰ ভাষা সেই তালিকাৰ অন্তৰ্ভুক্ত হৈছে। তাৰে কোনোবাটো মৃত্যুমুখী, কোনোবাটো বিপদাপন্ন, আন কোনোবাটো অধিক বিপদাপন্ন ইত্যাদি ইত্যাদি। অসমৰ টাই ভাষাৰ অন্তৰ্ভুক্ত টাই খামিয়াং ভাষাটোক মৃত্যুমুখী বোলা হৈছে। সম্প্ৰতি সেই ভাষাটোক পুনৰ্জীৱন দিয়াৰ বাবে কিছুসংখ্যক লোক ব্ৰতী হোৱাটো শুভ লক্ষণ। সাধাৰণতে জৈৱ-বৈচিত্ৰ্যৰ বিলুপ্তিৰ ক্ষেত্ৰত বৰ্তমান সমাজ যিমান সচেতন, ভাষাৰ বিলুপ্তিৰ ক্ষেত্ৰত সিমান সচেতন হোৱা দেখা নাযায়। অথচ যুগ যুগ ধৰি সঞ্চিত জ্ঞানৰ ভাণ্ডাৰ, অভিজ্ঞতা, পুৰণি পৃথিৱীক ন-কৈ চাই লোৱাৰ দৃষ্টিভংগী ভাষাৰ মাধ্যমেৰেই বিধৃত হৈ থাকে। অতি-সম্প্ৰতি বিশ্বজুৰি জগতৰ প্ৰতিটো ভাষাকে সম-মৰ্যাদাৰে জীয়াই ৰখাৰ এক নতুন চিন্তা-চেতনা জাগ্ৰত হোৱাটো অতিশয় শুভ লক্ষণ। আমেৰিকা, জাপান, অষ্ট্ৰেলিয়া, আফ্ৰিকা আদিত ভাষাৰ সুৰক্ষাৰ বাবে বিভিন্ন সংগঠনৰ জন্ম হৈছে আৰু সেইবোৰে বিলুপ্তপ্ৰায় তথা সংকটগ্ৰস্ত ভাষাবোৰৰ পুনৰ্জীৱনৰ বাবে অহোপুৰুষাৰ্থ কৰি আছে। ভাৰতবৰ্ষত এই চেতনাৰ প্ৰতিফলন এতিয়াও সীমিত হৈ আছে। পৰিশেষত তথাকথিত উন্নয়নৰ সৰ্বগ্ৰাসী প্ৰভাৱে ভাষা-বৈচিত্ৰ্যৰ বুকুলৈ নমাই অনা গভীৰ সংকটৰ বিষয়ে উত্তৰবঙ্গ বিশ্ববিদ্যালয়ৰ একালৰ প্ৰাধ্যাপক অশ্ৰুকুমাৰ সিকদাৰ ডাঙৰীয়াই কৰা এই মন্তব্যটি বিবেচনা কৰি চাবলৈ আটাইকে আহ্বান জনালোঁ— 'উন্নয়নেৰ প্ৰকোপে যেমন হাৰিয়ে যাচ্ছে জৈৱ-বৈচিত্ৰ্য, অগণিত কীট-পটংগ-প্ৰাণী, উদ্ভিদ-বৃক্ষ-লতা, তেমনি হাৰিয়ে যাচ্ছে ভাষা আৰু সংস্কৃতি। সংকটাপন্ন তাই মানুষেৰ সত্তা। ভাষাৰ বৈচিত্ৰ্য হাৰানোয় পৃথিৱী তাৰ সৌন্দৰ্যসুষমা হাৰায়, মানুষেৰ চিৰাগত জ্ঞান-অভিজ্ঞতাৰ ভাণ্ডাৰকে হাৰায়, হাৰায় বিশ্বকে দেখবাৰ এক অনন্য দৃষ্টিকে। উন্নয়নেৰ কাছে এই অনন্যতা কি পৰাস্ত হ'বে, নতুন সহস্ৰাব্দেৰ প্ৰৱেশদ্বাৰে দাঁড়িয়ে সব ভাবুক মানুষকে এই জিজ্ঞাসাৰ উত্তৰ খুঁজতেই হবে।' অসমীয়াভাষী সচেতন হোৱাৰ সময় সমুপস্থিত। নিজৰ লগতে আনৰ ভাষাকো সংকটৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ সকলো সচেতন হওক, যত্নপৰ হওক। এয়া একবিংশ শতিকাৰ সময়ৰ আহ্বান।

ধৰ্মৰ আলোকত জীৱন-জিজ্ঞাস

দেৱাশ্ৰী দীক্ষা শাণ্ডিল্য

মানৱ জীৱনৰ লগত ধৰ্মৰ সম্পৰ্ক অতি নিবিড়। অতি প্ৰাচীন কালতেই বিভিন্ন ঘটনা-পৰিঘটনাই মানুহৰ মনত বিভিন্ন প্ৰশ্ন, সন্দেহ, কৌতূহল, ভয়-সংকোচ আদিৰ সৃষ্টি কৰিছিল। এইবোৰৰ পৰিণতিত সৃষ্টি হৈছিল বিভিন্ন লোকবিশ্বাস। এই লোকবিশ্বাসৰ আধাৰতে অপায়-অমংগল আদিৰ কল্যাণ কামনাৰ অৰ্থে সূচনা হৈছিল নানা যাদুবিশ্বাস। লোকবিশ্বাস তথা যাদুবিশ্বাসৰ যুগপৎ মিলনতেই ধৰ্মৰ জন্ম।

ধৰ্ম শব্দটোৰ লগত বহু বিশিষ্ট অৰ্থ নিহিত হৈ আছে। বিশিষ্ট অৰ্থত আমাৰ আধ্যাত্মিক উৎকৰ্ষ সাধনৰ কাৰণে যিবিলাক কৰণীয় কৰ্ম, পালনীয় নীতি-নিয়মৰ নিৰ্দেশ দিয়া হয় সেইবোৰ যথাযথভাৱে পালন কৰাই ধৰ্ম। এজন মানুহৰ নৈতিক, মানসিক স্থিতিৰ ওপৰত ধৰ্মীয় ধাৰণা বিশেষভাৱে বৰ্তি থাকে। জীৱন, সমাজ আৰু সংস্কৃতিক এক আধ্যাত্মিক দৰ্শনৰ আধাৰত মনৰ মাজত ধাৰণ কৰি চিন্তা-চেতনাক সু-সংগত কৰাই ধৰ্মৰ উদ্দেশ্য। মানুহৰ জীৱন-যাত্ৰাৰ মূল লক্ষ্য চিৰ-সুন্দৰৰ কাষ চপা। আমাৰ সকলো নীতি-নিয়ম, আইন-কানুন, বিভিন্ন ধৰণৰ সেৱা, উপাসনা আদিৰ চৰম লক্ষ্যও চিৰ-সুন্দৰৰ সান্নিধ্য। চিৰ-সুন্দৰৰ সান্নিধ্যৰ বাবে আধ্যাত্মিক উন্নতিৰ পথত আগবাঢ়োতে ধৰ্মানুগত বিশ্বাস, আস্থা আৰু শুদ্ধ চিত্তৰ প্ৰয়োজন। শুদ্ধ চিত্তে, শুদ্ধ ধ্যান-ধাৰণাৰে কৰা প্ৰতিটো কামৰ মূল্য সৰ্বাধিক।



গুণীজনৰ আদৰ সমাজত সকলোতকৈ বেছি। সৎ সাহসীজনে সমাজত আগস্থান পায়। ধৰ্মই মানুহক গুণী, সৎ আৰু সাহসী কৰি তোলে। ধৰ্মীয় প্ৰভাৱে মানৱ জীৱনৰ বহু কাৰ্যকেই নিয়ন্ত্ৰণ কৰে। বিভিন্ন ব্যক্তিৰ লগত ধৰ্মই বিভিন্ন ৰূপ পৰিগ্ৰহণ কৰে। জীৱনৰ স্থিতি অনুসাৰে ব্যক্তিৰ কাৰ্যৰ পাৰ্থক্য থাকে। এজন সৈনিকৰ কৰ্তব্য এজন ডাক্তৰৰ কৰ্তব্যতকৈ পৃথক। এজন গৃহস্থৰ কৰ্তব্য এজন ভৃত্যতকৈ বেলেগ। এটা পৰিয়াল সুখী-সমৃদ্ধিশালী হ'বলৈ হ'লে পৰিয়ালৰ প্ৰতিজন সদস্যই নিজ নিজ কৰ্তব্য সুচাৰুৰূপে, সহযোগেৰে পালন কৰিব লাগিব। পৰিয়ালৰ মাজৰ এই কৰ্তব্যৰ মাজতো ধৰ্মৰ সম্পৰ্ক আছে। সামাজিক সমৃদ্ধি, সমন্বয় আৰু শান্তি ধৰ্মৰ লগত জড়িত বিশেষ বিষয়। এজন লোকৰ সামাজিক স্থিতি, মানসিক অৱস্থা আৰু নৈতিক প্ৰগতিৰ ভিত্তিত ব্যক্তিজনৰ ধৰ্ম নিৰ্ণীত হয়। বুদ্ধই সাধাৰণজনৰ দুখ-দুৰ্দশাত নিজক নিয়োজিত কৰি এজন মহান ধাৰ্মিক পুৰুষলৈ ৰূপান্তৰ হৈছিল। মানুহৰ বাহ্যিক কৰ্মতকৈ আন্তৰিক শক্তিৰ ওপৰতহে ধাৰ্মিক অভিব্যক্তি নিৰ্ভৰশীল। হিন্দু শাস্ত্ৰসমূহত এই কথা বহু সময়ত ঘোষণা হৈছে। নৈতিক গুণসমূহ শুদ্ধ আৰু সুন্দৰ ৰূপত পালন কৰিব পাৰিলে প্ৰকৃত মানুহ হোৱাৰ যোগ্যতা আৰ্জে। নৈতিক গুণসমূহো কিছুমান ধৰ্মীয় গুণৰ মাধ্যমেদি প্ৰকাশিত হয়। উদাহৰণ স্বৰূপে নাম-কীৰ্তনৰ চৰ্চাই মানুহক আত্মত্যাগৰ প্ৰেৰণা যোগায়। এই প্ৰেৰণা মহৎ গুণৰ এক অংশ। দান এটি কৰণীয় কৰ্তব্য, যি কৰ্তব্যই উদাৰতাৰ বাট দেখুৱায়। ধৰ্মৰ লগত জড়িত এনে নীতি-দৰ্শন সঁচাই আদৰণীয়। প্ৰতিটো ধৰ্মই কিছুমান প্ৰধান গুণৰ নিৰ্দেশ দিয়ে। হিন্দু ধৰ্মৰ গুণসমূহ দুখন মহাকাব্য আৰু পুৰাণৰ ব্যাখ্যাৰ মাজেদিয়ে প্ৰতিফলিত হৈছে। আত্মনিয়ন্ত্ৰণ, বৈৰাগ্য, সত্য-অহিংসাৰ দৰে মহান গুণৰ সন্ধান হিন্দু ধৰ্মৰ মহাকাব্য আৰু পুৰাণৰ মহৎ চৰিত্ৰসমূহৰ মুখেদি প্ৰকাশিত হৈছে। আত্মনিয়ন্ত্ৰণৰ ওপৰতে সকলো গুণ নিৰ্ভৰশীল। ধৈৰ্য, সহনশীলতা, সাধুতা, অহংকাৰশূন্যতাৰ মূলতে আত্মসংযম। সংযম আৰু পৱিত্ৰতা এই দুই প্ৰধান গুণৰ অধিকাৰী হ'ব পাৰিলেই জীৱনলৈ শান্তি আহে। হিন্দু শাস্ত্ৰৰ চাৰি পুৰুষাৰ্থ— ধৰ্ম, অৰ্থ, কাম, মোক্ষই এটা সম্পূৰ্ণ মানৱ জীৱনক সামৰি এক বিশেষ জীৱনপথৰ সন্ধান দিয়ে।

আধ্যাত্মিক আকৰ্ষণ সুখৰ আধাৰ। যিজনে সুখ-দুখ দুয়োটাকে গ্ৰহণ কৰিব পাৰে তেওঁহে আচল যোগী। বন্ধু, প্ৰেম, সহানুভূতি, স্নেহ স্বৰ্গীয় গুণ। এইবিলাকৰ স্থান আমাৰ অন্তৰত যিমানে বেছি হয় সিমানে আমি চিৰ-সুন্দৰৰ কাষ চাপি যাওঁ। সৎ আচৰণ, শুদ্ধ সামাজিক সম্পৰ্কই শুদ্ধ জ্ঞানৰ সম্ভেদ দিয়ে। সত্যই ভগৱান। পাপ, কপটতা, অন্যায়, অজ্ঞতা হ'ল অসত্যৰ প্ৰতিনিধি। ধৰ্মত মতি হৈ কাৰ্যত দৃঢ়, সমৰ্থন, ন্যায়ৰ প্ৰতি আস্থা দেখুৱালে উচ্চ নৈতিকতাৰ পৰিচয় দিব পাৰে। নৈতিক গুণসমূহ সত্যৰেই অন্য ৰূপ। অহিংসা মানৱ জাতিৰ পৰম ধৰ্ম। অহিংসাৰ প্ৰকৃত স্বৰূপ হৈছে পাশৱিক শক্তিৰ বিৰুদ্ধে নৈতিক শক্তিৰ প্ৰয়োগ। অহিংসাৰ লগত বিশেষভাৱে জড়িত ভদ্ৰতা, সৌজন্য, আতিথ্যৰ দৰে মহৎ গুণ। এই গুণবোৰৰ আধাৰতেই এজন ধাৰ্মিক ব্যক্তিৰ গঠন হয়। ধৰ্মাত্মা লোকজন নিজ বিবেকৰ দ্বাৰা পৰিচালিত। পৰিস্থিতিৰ লগত মিলাই সত্য কি, ন্যায় কি বা তেওঁৰ নৈতিক কৰ্তব্য কি তাক তেওঁ নিজে স্থিৰ কৰি লয়। দৰাচলতে এজন ধৰ্মাত্মা ব্যক্তি নিজ আত্মজ্ঞানেৰে জ্ঞানী।

মানুহৰ প্ৰতিটো পৱিত্ৰ কৰ্মৰ অন্তৰালত এখন পৱিত্ৰ আত্মা জড়িত। পৱিত্ৰ আত্মাৰ পৱিত্ৰ প্ৰেমৰ মাধ্যমেদি চিৰ-সুন্দৰৰ সংযোগ ঘটে। আত্মকেন্দ্ৰিক নহৈ আনৰ কথাও যদি ভাবিব পাৰো তেন্তে তাৰ দ্বাৰা ভগৱদপ্ৰাপ্তি লাভ কৰিব পাৰি। ধৰ্মৰ লগত জড়িত নৈতিক ধ্যান-ধাৰণাই জীৱন মধুৰ কৰি তোলে। নৈতিক জগতখনৰ কাষে কাষে থকা আধ্যাত্মিক জগতখনে জীৱনক অসতৰ পৰা সতলৈ, অনৈক্যৰ পৰা ঐক্যলৈ বাট দেখুৱায়। ঈশ্বৰমুখী কৰ্মই কৰ্মবান্ধ ছেদ কৰি আমাৰ মুক্তিৰ বিধান দিয়ে।

গুণোৎসৱ অযথা বোজা নেকি?

পংকজ কলিতা

ৰাজ্যৰ শিক্ষাখণ্ডত নিযুক্তিকে ধৰি ভালেমান বিষয়ত সঘনাই হোৱা বিতৰ্ক আমাৰ দৃষ্টিগোচৰ হয়। পাঠ্যপুথি বা আন্তঃগাঁথনিক কেন্দ্ৰ কৰি উঠি অহা দাবী-দুৱাও বহু পুৰণি। চৰকাৰ আহিছে-গৈছে, সমস্যাবোৰে কিছু গেঁঠেলা মাৰিছে, কিছু সমাধান হৈছে। গেঁঠেলা মৰা নাইবা সমাধান হোৱা— সকলোবোৰ নিৰ্ভৰ কৰে বিভাগীয় মন্ত্ৰীজনৰ দক্ষতা আৰু সদিচ্ছাৰ ওপৰত। অৱশ্যে গোপীনাথ বৰদলৈ, মহেন্দ্ৰ মোহন চৌধুৰী, শৰৎ সিংহ বা গোলাপ বৰবৰা আদিৰ দৰে নমস্য নেতাৰ বৰ্তমান সময়ত অভাৱ পৰিলক্ষিত হয়। তথাপি একেবাৰেই যে নোহোৱা হৈছে তেনেও নহয়। আমি বৰ্তমান আৰু যোৱা কেইবছৰমানৰ তুলনামূলক এটা বিশ্লেষণ কৰিলে দেখিম যে শিক্ষায়েই হওক বা স্বাস্থ্য বিভাগতেই হওক একপ্ৰকাৰ গতিশীলতা প্ৰদান কৰিবলৈ সক্ষম হৈছে কেৱল ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই। মন্ত্ৰী হিচাপে তেওঁ যে ক'তো কোনোদিন ভুলেই কৰা নাই সেই কথাও আমি ক'ব খোজা নাই। কিন্তু তেওঁ দায়িত্বত থকা সময়ছোৱাত কিছুমান আঁচনিৰ পৰিকল্পনা আৰু বাস্তৱত ৰূপায়ণ কৰি যি সাহসিকতাৰ পৰিচয় দিছে সেয়া সৰ্বজন প্ৰশংসনীয়। কাম কৰিবলৈ যাওঁতে কেতিয়াবা ভুল হোৱাটো স্বাভাৱিক, সেইবুলি গোটেই প্ৰক্ৰিয়াটোকে আমি বিফল বুলি ক'ব খোজাটো আসোঁৱাহপূৰ্ণ কথা। বিফলতাৰ মাপকাঠী আমি এটা কোণত থিয় হৈ জুখিলেইতো নহ'ব। আন কথা বাদেই দিলোঁ, শেহতীয়াভাৱে ৰাজ্যত 'গুণোৎসৱ'ক লৈ হৈ-চৈ লাগিছে। সন্দেহ নাই যে প্ৰাথমিক শিক্ষাৰ মূল্যায়ন কৰাৰ বাবে বিভাগটোৰ এয়া অভিনৱ পদক্ষেপ। সম্প্ৰতি ৰাজ্যখনত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ যি ধৰণৰ উত্থান হৈছে তাৰ লগত ফেৰ মাৰিবলৈ হ'লে চৰকাৰী বিদ্যালয়সমূহে কিছুমান 'ৰিস্ক' ল'বই লাগিব। তাকে কৰিবলৈ যাওঁতে আগতকৈ হয়তো দায়িত্ব বাঢ়িব, সেয়া মানি নল'লে নহ'ব। আৰু এটা কথা নক'লেও ভুল হ'ব যে যিসকল প্ৰকৃত শিক্ষক তেওঁলোকে আগতেও নিজৰ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰি আহিছিল আৰু এতিয়াও বিভাগে দিয়া দায়িত্ব পালনৰ বাবে পিছ-হোঁহকা নাই। সেয়েহে হয়তো তেওঁলোকে এইবোৰক অতিৰিক্ত বোজা হিচাপে লোৱা নাই। কিন্তু এচামে সেই হেঁচাত মৃত্যুকো আঁকোৱালি লোৱাৰ বাতৰি পোৱা গৈছে। সেয়া নিতান্তই দুৰ্ভাগ্যজনক কথা। তেওঁলোকৰ মনত হয়তো প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱত নিজৰ আৰু বিদ্যালয়খনৰ অন্ধকাৰ ভৱিষ্যতৰ শংকা ঘনীভূত হোৱাত তেনে হ'বলৈ পালে। সেয়া নিশ্চয়কৈ অনাকাংক্ষিত ঘটনা আৰু বিভাগেও তেওঁলোকৰ পৰিয়ালক ন্যায় দিব লাগিব। কিন্তু আমি যদি ভালদৰে ভাবি চাওঁ গুণোৎসৱৰ সামগ্ৰিক ব্যৱস্থাটোক নেতিবাচক বুলিব নোৱাৰি। কলেজসমূহত যেনেদৰে 'নেক'ৰ দ্বাৰা মূল্যায়ন কৰি এটা গ্ৰেড প্ৰদান কৰা হয় আৰু পাছৰ পৰ্যায়ত সেই গ্ৰেড অনুসৰি বিভাগীয় অনুদান আবণ্টন দিয়াৰ ব্যৱস্থা কৰে, ঠিক তেনেদৰে গুণোৎসৱৰ দ্বাৰাও নিশ্চয়কৈ তাকেই কৰিব বিচৰা হৈছে। তাৰ ফলত বিদ্যালয়সমূহৰ মাজত প্ৰতিযোগিতাৰ মনোভাব বাঢ়িব। কথাখিনি যুকিয়াই চালে দেখিব লাভৰ ভাগ কিন্তু সৰহখিনিয়েই ৰাইজৰ ঘৰলৈহে আহিব। আৰু যিখিনি কৰ্মপটু-নিষ্ঠাৱান শিক্ষক তেওঁলোকে কিন্তু এই ব্যৱস্থাত হতাশ হোৱা নাই। বৰং অনুষ্ঠানটোৰ প্ৰতি কিবা এটা কৰাৰ হাবিয়াহ বাঢ়িছেহে। অলপতে মই নিজে পোৱা এটা সৰু অভিজ্ঞতা এইখিনিতে উল্লেখ কৰিছোঁ। মোৰ জ্যেষ্ঠ ভাতৃসদৃশ কবি জোনমণি দাস কামৰূপ জিলাৰ ছয়গাঁৱৰ চৰকাৰী মজলীয়া বিদ্যালয়ৰ হিন্দী শিক্ষক। ছাত্ৰাৱস্থাৰ পৰাই তেওঁ সাহিত্য-সংস্কৃতিৰ কামবিলাকত খুব আগৰণুৱা। সেইদিনা মই বিদ্যালয়খনলৈ গৈ দেখো তেওঁৰ লগতে সহকৰ্মীবৃন্দই আলোচনা কৰি বিদ্যালয়ৰ কোঠাবোৰ, চৌহদৰ পৰিৱেশৰ ৰূপেই সলনি কৰি দিছে। দেখিলেই ভাল লাগে। প্ৰেক্ষাগৃহটো ইমান ধুনীয়াকৈ সজাইছে যে আপুনি তাত সোমালে ক'ব নোৱাৰে সেইটো যে মেৰামতিৰ অভাৱত উৰলি যাবলৈ ধৰা এটা আওপুৰণি শ্ৰেণীকোঠাহে আছিল। কথা-বতৰা পাতি জানিব পাৰিলোঁ যে তেওঁলোকে 'এ' গ্ৰেড পাবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছে। গতিকে সেয়া তেওঁলোকে ইতিবাচক চিন্তাৰে ৰোপণ কৰিবলৈ লোৱা এজোপা সুস্বাদু ফলৰ গছ। তাত কি ফল লাগে সেয়া পিছৰ কথা। তেনেকুৱা উদাহৰণ বহু পোৱা যাব। গতিকে গুণোৎসৱক লৈ এচামে অনাহকত বিৰূপ মন্তব্য কৰাটো হয়তো সকলোৰে গ্ৰহণযোগ্য নহ'ব।

বিভাগটোৱে যদিও শিক্ষাৰ ক্ষেত্ৰত এটা নতুনত্ব আনিবলৈ সক্ষম লৈছে তথাপি কৰিব লগা যে একোৱেই নাই তেনেও নহয়। বিদ্যালয়সমূহৰ আন্তঃগাঁথনিকে ধৰি প্ৰয়োজনীয় শিক্ষক নিযুক্তি, অপ্ৰাদেশীকৃত বিদ্যালয়সমূহক বিভাগীয় নীতি-নিৰ্দেশনাৰ মাজেৰে চৰকাৰী ৰূপ দিয়া আদি বহু সমস্যাৰে চৰকাৰী বিদ্যালয়বোৰ জৰ্জৰিত। এইবোৰো যিমান সোনকালে সম্ভৱ সমাধানৰ দিহা কৰিব লাগে। মধ্যাহ্ন ভোজন আঁচনিখনৰ ত্ৰুটি-বিচ্যুতিবোৰো মন্ত্ৰী ডাঙৰীয়াই বিবেচনাৰ আওতালৈ আনি আসোঁৱাহমুক্ত কৰিলে শিক্ষাৰ্থীয়ে নিশ্চয় ভবা মতে সুফল নোপোৱাকৈ নাথাকে। কিন্তু সেয়া আজিও হৈ উঠা নাই। বৰ্তমানৰ শিক্ষামন্ত্ৰীগৰাকীৰ ওপৰত ৰাইজৰ আস্থা আছে আৰু ইয়াৰ ফলপ্ৰসূ সমাধানৰ ৰাইজে তেওঁকে আশা কৰে। শেহতীয়াভাৱে 'প্ৰত্যাহ্বান' আঁচনিৰে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ লগত ফেৰ মাৰি ৰাজ্যৰ ৩,০০৪খন পঞ্চায়তত এখনকৈ আদৰ্শ বিদ্যালয় গঢ়ি তোলাৰ বাবে চৰকাৰে যি ব্যৱস্থা গ্ৰহণ কৰিছে সেয়া সঁচাকৈ আদৰণীয়। ইয়াৰ বাবে ৰাইজো সজাগ হ'ব লাগিব। বিভাগীয় মন্ত্ৰী নাইবা বিষয়াৰ ওপৰত আশা পালি হাত সাবটি থাকিলে কাম নিসিজিব। দেশ-দহৰ স্বাৰ্থত আমাৰো আগভাগ লোৱাৰ হক আছে। গতিকে এখন আঁচনিয়ে সমাজত কি ধৰণৰ প্ৰভাৱ পেলাব সেয়া ৰাইজ আৰু চৰকাৰৰ একত্ৰিত সদিচ্ছাইহে নিৰূপণ কৰিব।

ফোনঃ ৯৮৫৯৪-৪০০৭৮

ৰাইজৰ চিঠি

পত্ৰলেখকৰ মতামতৰ বাবে সম্পাদক দায়ী নহয়

আইনৰ ডুলিতে বেআইনী মানুহ

সততে এটি কথা সৰু কালৰে পৰা শুনি আহিছোঁ যে দিল্লীত সুৰক্ষিত নহয় উত্তৰ-পূবৰ ল'ৰা-ছোৱালী। প্ৰতিটো ক্ষেত্ৰতে মানসিক, শাৰীৰিক নিৰ্যাতনৰ বলি হ'ব লগা হয় আমাৰ উত্তৰ-পূবৰ লোকসকল। এয়া আমাৰ চিন্তা, আমাৰ শংকা। দিনবোৰৰ চকৰি একেদৰে গৈ আছে নে ক'ৰবাত কিবা পৰিৱৰ্তন হৈছে! কিয় আমাক জংঘলী বুলি হাঁহে, তাত কিয় আমাৰ দীঘল নাককেইটাই লাজ অনুভৱ কৰো! দিল্লীত কৰ্মৰত অধিবক্তা কৃষ্ণলাল মহন্ত দিল্লীৰ পৰিৱেশ অশান্ত কৰিলে— এয়া সঁচা গৰ্হিত কাণ্ড। দিল্লীত গৈ আমাৰ অধিবক্তাজনে এই কামহে কৰি আছিল মানে! বৰ্ণনা দিবলৈও মনে নকয়, দেখিয়েই বুজিছোঁ তাৰ ভয়াৱহতা। ধূমপাম কৰি উপদ্ৰৱ, পিছত খেদি খেদি গাড়ীৰে খুন্দিয়াই হত্যা, এতিয়া আমি নিজেই ভাবোচোন আমাক জংঘলী নকৈ, আজিৰ যুগৰ প্ৰথম জাতি বুলি কৈ নিজেই বিজ্ঞলোক লজ্জানত হ'বনে? কেইমাহমান আগতে মুম্বাইত এজনী অসমীয়া ছোৱালীয়ে এজনৰ প্ৰাণ ৰক্ষা কৰিছিল। সকলো ৰাষ্ট্ৰীয় মাধ্যমত অসমৰ গুণ-গৰিমাৰে বাতৰি প্ৰচাৰ হৈছিল। বুকুখন আপাহতে ফুলি উঠিছিল। এনেবোৰ উদাহৰণেহে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত থকা আমাৰ প্ৰতি মানসিকতাৰ সলনি কৰিব পাৰিব। কিন্তু কিছু অধমৰ বাবে যে আমাৰ জাতিটোৰ এই অৱস্থা তাক নুই কৰিব নোৱাৰি। বহুজনে চেষ্টা কৰিও বিফল হৈছে এইবোৰ অপকাণ্ডৰ বাবে। লজ্জানত হৈছো আমি সকলোৱে। এই অধিবক্তাক উচিত শাস্তি বিহা হওক, প্ৰয়োজনত তেওঁৰ অধিবক্তাৰ অনুজ্ঞা-পত্ৰ বাতিল কৰক। এইবোৰ জাতিৰ শত্ৰু, অসমত সুবিধা নাই বুলি কৈ বিদেশ যোৱা মানুহ এইবোৰ। ৰজা হোৱাৰ মনৰ বাবে প্ৰজাক কি ব্যৱহাৰৰ প্ৰয়োজন এইবোৰ জলাঞ্জলি দিছে। সুযোগ পালেই জাতিৰহে নাক কাটে এইবোৰে। কাৰণ বহুজনৰ সৎ চেষ্টাক আমি এইদৰে লাঘৱ কৰো। বেয়াবোৰ ধ্বংস হ'লে, ভালবোৰ জিলিকি উঠে। প্ৰয়োজনত চৰকাৰে সহায় কৰক, এইবোৰ বাচি একো প্ৰয়োজন নাই। যাতে দেশৰ বুজিবলৈ সহজ হয় অসমৰ মানুহে বেয়া চিন্তা-ভাৱনাক কোনোদিনে প্ৰশ্ৰয় দিয়া নাই আৰু নিদিয়ে।

দীপাংকৰ চৌধুৰী